# ‘ঠেঙ্গাল কছাৰীসকলৰ ৰীতি-নীতি আৰু পৰম্পৰা’

ডিব্রুগড় বিশ্ববিদ্যালয়ৰ স্নাতক ষষ্ঠ ষান্মাসিকৰ অসমীয়া
**DSE-3(H)** কাকতৰ বাবে প্ৰস্তুত কৰা গৱেষণা প্ৰকল্প।


তত্ত্বাৱধায়ক

ড০ মৃণালী কাগ্যুং

সহকাৰী অধ্যাপিকা

অসমীয়া বিভাগ

প্ৰস্তুতকৰ্তা

শ্ৰীমতী বিদিশা শইকীয়া

ষষ্ঠ ষান্মাসিক

অসমীয়া বিভাগ

**Roll No. ঃ 30810076**

**Registration No ঃ S1921560**

নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ, যোৰহাট



ইং - ২০২২ বৰ্ষ



Scanned by CamScanner

# অসমীয়া বিভাগ
# নন্দনাথ শইকীয়া মহাবিদ্যালয়

তিতাবৰ, জিলা- যোৰহাট, অসম, পিন- ৭৮৫৬৩০


়ঙ্গ নং.........

তাৰিখ ঃ ০৭০৭.২০২২

প্ৰমাণ পত্ৰ

শ্ৰীমতী বিদিশা শইকীয়া স্নাতক ষষ্ঠ যান্মাসিক কলা শাখাৰ (বিশ্ববিদ্যালয়ৰ ৰোল নম্বৰ ঃ ৩০৮৯০০৭৬) ৰ ছাত্ৰী। তেওঁ ড° মৃণালী কাগয়ুঙৰ তত্ত্বাৱধানত **DSE-3(H)** পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ "**ঠেঙ্গাল কছাৰীসকলৰ ৰীতি-নীতি আৰু পৰম্পৰা**" বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে।

গৱেষণা প্ৰকল্প কাৰ্যত তেওঁৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

মৃণালী কাগয়ুঙ

বিভাগীয় প্ৰধান
অসমীয়া বিভাগ,
নন্দনাথ শইকীয়া মহাবিদ্যালয়,
তিতাবৰ।

Head
Department of Assamess
Nanda Nath Saikia College
Titabar

Scanned by CamScanner

অসমীয়া বিভাগ

# নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ

স্থাপিত - ১৯৫৯

---

## প্ৰমান পত্ৰ

শ্ৰীমতী বিদিশা শইকীয়া স্নাতক কলা শাখাৰ ষষ্ঠ ষান্মাসিকৰ (ৰোল নং - ৩০৮১০০৭৬) ছাত্ৰী। তেওঁ মোৰ তত্বাৱধানত DSE - 3 (H) পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ বাবে "ঠেঙ্গাল কছাৰীসকলৰ ৰীতি-নীতি আৰু পৰম্পৰা" বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে। তেওঁ সম্পূৰ্ণ নিজা অধ্যয়নৰ জৰিয়তে এই প্ৰতিবেদন দাখিল কৰিছে।

গৱেষণা কাৰ্যত তেওঁৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

তত্বাবধায়ক

মৃণালী আগৰৱাল

অসমীয়া বিভাগ

নন্দনাথ শইকীয়া মহাবিদ্যালয়

তিতাবৰ

Department of Assamese
Date .............
Nandanath Saikia College Titabar

Scanned by CamScanner

## কৃতজ্ঞতা জ্ঞাপন

জনগোষ্ঠীয় জাতি ঠেঙ্গাল কছাৰী হিচাপে মই মোৰ প্ৰকল্প 'ঠেঙ্গাল কছাৰীসকলৰ ৰীতি-নীতি আৰু পৰম্পৰা' বিষয়টি ডঃ মৃণালী কাগয়ুং বাইদেউৰ তত্বাৱধানত প্ৰস্তুত কৰিবলৈ চেষ্টা কৰিলো।

বিভিন্ন ক্ষেত্ৰতসহায় সহযোগীতা আগবঢ়োৱা বাইদেউৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'লো। তেখেতক হিয়াভৰা শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

তিতাবৰ নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ আধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি অসমীয়া বিভাগৰ সমূহ কৰ্মকৰ্তাক ধন্যবাদ জনালো। বিশেষকৈ ডঃ বৰ্ণালী শইকীয়া বাইদেউকো এইখিনিতে ধন্যবাদ জনাইছো। কিয়নো তেওঁ মোক বিষয়ৰ সকলোবোৰ কথাই খুউব সুন্দৰকৈ বুজাই দিছিল।

মোৰ প্ৰকল্পটি ডি. টি. পি কৰা শ্ৰী প্ৰকাশ বৰা দাদাকো ধন্যবাদ জনাইছো। লগতে তেজপুৰ বিশ্ববিদ্যালয়ত অধ্যয়নৰত মোৰ ভগ্নী শ্ৰীমতী প্ৰীতিশিখা শইকীয়া আৰু বান্ধৱী শ্ৰীমতী ৰিজুমণি কছাৰী, শ্ৰীমতী লিপিকা বৰুৱা দুয়োগৰাকী বান্ধৱীক ইয়াতে ধন্যবাদ জনাইছো। শেষত সকলো সময়তে মোৰ সাহস হৈ অনুপ্ৰেৰণা দিয়া মোৰ স্বামীৰ ওচৰতো চিৰকৃতজ্ঞ হৈ ৰ'লো।



বিদিশা শইকীয়া

বিদিশা শইকীয়া<br>
স্নাতক ষষ্ঠ ষান্মাসিক<br>
অসমীয়া বিভাগ<br>
নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ


Scanned by CamScanner

## সূচীপত্র

১. বিষয়ৰ পৰিচয়।

২. বিষয়ৰ উদেশ্য ।

৩. বিষয়ৰ পৰিসীমা।

৪. বিষয় অধ্যয়নৰ পদ্ধতি ।

৫. পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা।

১. মূল বিষয়ৰ আলোচনা

১.১ প্ৰথম অধ্যায় ঃ ঠেঙ্গাল কছাৰীসকলৰ চমু পৰিচয়।

২. দ্বিতীয় অধ্যায় ঃ ঠেঙ্গাল কছাৰীসকলৰ ৰীতি- নীতি।

২.১ ধৰ্মীয় ৰীতি- নীতি

২.২ সামাজিক ৰীতি- নীতি

২.৩ ঘৰুৱা ৰীতি- নীতি

২.৪ উৎসৱ পাৰ্বনৰ ৰীতি- নীতি

৩. সিদ্ধান্ত

৩.১ সামৰণি

৩.২ গ্ৰন্থপঞ্জী

৩.৩ তথ্যদাতাৰ পৰিচয়

৩.৪ আলোকচিত্ৰ

Scanned by CamScanner

### ০.০.১ বিষয়ৰ পৰিচয় ঃ

মানুহ হৈছে সামাজিক প্ৰাণী। সমাজৰ বিভিন্ন ৰীতি- নীতি, বিশ্বাস, পৰম্পৰা, কলা, আচৰণৰ লগত মানুহ ওতপ্ৰোতভাৱে জড়িত হৈ থাকে। সমাজৰ ৰীতি- নীতি, পৰম্পৰাসমুহ লোকসংস্কৃতিৰ প্ৰধান উপাদান। এখন সমাজত প্ৰচলিত ৰীতি- নীতি, পৰম্পৰাই ব্যক্তিৰ ব্যক্তিগত আৰু সামাজিক জীৱনক নিয়ন্ত্ৰিত কৰি ৰাখে।

সমাজৰ এই ৰীতি- নীতি পৰম্পৰা জনগোষ্ঠীয় লোকসকলৰ মাজত বিশেষভাৱে দেখা পোৱা যায়। অসমৰ জনগোষ্ঠীয় লোকসকলৰ মাজত এটা অন্যতম জাতি হ'ল ঠেঙ্গাল কছাৰী সকল। এই ঠেঙ্গাল কছাৰী সকলৰ নিজস্ব কিছুমান ৰীতি- নীতি, পৰম্পৰা আছে। সেইসমূহক ধৰ্মীয়, সামাজিক, ঘৰুৱা, আৰু উৎসৱ, পাৰ্বনৰ ৰীতি-নীতি হিচাপে ভাগ কৰা হৈছে। গতিকে এই প্ৰতিবেদনখনত এই ৰীতি- নীতিসমূহৰ সম্পৰ্কে কিছু আভাস দিয়া হৈছে।

### ০.০.২ বিষয়ৰ উদেশ্য ঃ

অসমখন বিভিন্ন জাতি- জনগোষ্ঠীৰ মিলনভূমি। ইয়াত বসবাস কৰা অন্যতম এটা জনগোষ্ঠী হৈছে ঠেঙ্গাল সকল। প্ৰতিতো জাতি- জনগোষ্ঠীৰ ৰীতি- নীতিয়ে সেই জনগোষ্ঠীটোক বিশেষ তথা গৌৰান্বিত কৰি তোলে। ঠেঙ্গাল কছাৰীসকলৰো বিভিন্ন ক্ষেত্ৰত নিজস্ব ৰীতি- নীতি, পৰম্পৰা আছে। গতিকে এই ৰীতি- নীতি সমূহ সমাজ তথা ৰাইজৰ মাজত পৰিচয় প্ৰদান কৰি দিয়াই প্ৰতিবেদনখনৰ মুখ্য উদেশ্য।

### ০.০৩ বিষয়ৰ পৰিসীমা ঃ

এই প্ৰতিবেদনখনত অসমৰ এটা পুৰণি জনগোষ্ঠী ঠেঙ্গাল কছাৰীসকলৰ চমু পৰিচয়ৰ লগতে তেঁওলোকৰ ৰীতি- নীতি, পৰম্পৰা সমূহক এই পৰিসৰত সামৰি লোৱা হৈছে।

### ০.০৪ বিষয় অধ্যয়নৰ পদ্ধতি ঃ

এই প্ৰতিবেদনখন প্ৰস্তুত কৰোতে ঐতিহাসিক, বিশ্লেষণাত্মক আৰু ক্ষেত্ৰ অধ্যয়ন পদ্ধতি অধ্যয়ন কৰা হৈছে।

### ০.০৫ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা ঃ

অতি প্ৰাচীন সমৃদ্ধশালী এই জনগোষ্ঠীটোৰ তুলনাত বিদ্যায়তনিক দিশত ইয়াৰ সমাজ সংস্কৃতিৰ ক্ষেত্ৰত গৱেষণা তথা অধ্যয়ন খুব কম। ঠেঙ্গাল কছাৰীৰ প্ৰথমখন গ্ৰন্থ নন্দ বৰাৰ ' অসমৰ ঠেঙ্গাল কছাৰীৰ ইতিবৃত্ত ' ত এই সম্পৰ্কে চমু আলোচনা কৰা দেখা যায়। ইয়াৰ উপৰিও ' সদৌ অসম ঠেঙ্গাল কছাৰী সংগঠনৰ ' দ্বাৰা প্ৰকাশিত বিভিন্ন 'মূখপত্ৰ', 'ঠেঙ্গাল দৰ্পন', 'ঠেঙ্গাল জাগৰণ' ইত্যাদি স্মৃতিগ্ৰন্থসমূহতো কিছু কিছু আভাস পোৱা দেখা যায়।

ঠেঙ্গাল কছাৰীৰ বিভিন্ন দিশৰ ওপৰত কেইখনমান গৱেষণা গ্ৰন্থও প্ৰস্তুত কৰা হৈছে। গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ত এই গৱেষনা কৰা হৈছে। তাৰে ভিতৰত - ড. কৈলাশ দত্ত, ড. বৰ্ণালী চেতিয়া, ড. বৰ্ণালী শইকীয়া আদি।



Scanned by CamScanner

**ঠেঙ্গাল কছাৰীসকলৰ ৰীতি- নীতি আৰু পৰম্পৰা ঃ**

বৃহত্তৰ অসমৰ অন্যান্য জনগোষ্ঠীসকলৰ সৈতে একাকাৰ হৈ নিজকে পৰিচয় দি অহা প্ৰাচীন আদিবাসী নৃ- গোষ্ঠীয় মঙ্গোলীয় গোষ্ঠীৰ অন্যতম আদিম জনগোষ্ঠী এটা হৈছে ঠেঙ্গাল কছাৰী। অন্য জনজাতিসমূহৰ দৰে ঠেঙ্গাল কছাৰী জাতিটোৱেও অনৈক্যৰ মাজত ঐক্যতা বজাই ৰাখি নিজৰ স্বকীয়তা ৰক্ষা কৰি বিভিন্ন উৎসৱ- পাৰ্বন, পূজা- পাতল আৰু ৰীতি- নীতিসমূহ পালন কৰি আহিছে। ঠেঙ্গাল কছাৰীসকলে ধাৰাবাহিকতা ৰক্ষা কৰি পালন কৰি অহা উৎসৱ-পাৰ্বন, পূজা- পাতল, সকাম- নিকাম আদি মাঙ্গলিক কৰ্মসমূহ হ'ল - বৰ সবাহ, পানী তোলা সবাহ, আই সবাহ, বা্ত বন, হাতুৱালি- বাতুৱালি, অকলশৰীয়াক দিয়া, সদাশিৱ পূজা, যিগিনিক দিয়া, ভূত পুজা, গাতিয়ালক দিয়া, বাৰী সকাম, ভিতৰ সকাম, গৰখীয়া জলপান, শনি গ্ৰহৰ চাউল খোৱা, আয়ুস তোলা, জলত দিয়া, ভঁৰালত দিয়া, পিড় দিয়া, মৃতকক দিয়া ইত্যাদি সকলোবোৰ ৰীতি- নীতি আৰু তেওঁলোকৰ পৰম্পৰাৰ ভিতৰত পৰে।

**০.০১ ঠেঙ্গাল কছাৰীসকলৰ ধৰ্মীয় ৰীতি- নীতি ঃ**

অন্য জাতিসমূহৰ দৰে ঠেঙ্গাল কছাৰী জাতিটোৰো কিছুমান নিৰ্দিষ্ট ধৰ্মীয় ৰীতি- নীতি আছে। যেনে-

(১) বৰ সবাহ বা বৰ সেৱা
(২) পানী তোলা সবাহ বা চূড়াকৰণ
(৩) আই সবাহ
(৪) লক্ষিমী সবাহ আদি।

**(১) বৰ সবাহ বা বৰ সেৱা ঃ**

ঠেঙ্গাল কছাৰীসকলৰ মাজত বৰসবাহ প্ৰচলিত যদিও এই বৰসবাহ সকলোৱে পাতিব নোৱাৰে আৰু নাপাতে। গাওঁখনৰ একেবাৰে ধনী ব্যক্তিজনেহে আয়োজন কৰিব পাৰে। এই উৎসৱ পাতিবৰ বাবে যথেষ্ট পৰিমানৰ অৰ্থৰ প্ৰয়োজন। ঘৰখনৰ অপায়- অমঙ্গল দূৰ কৰিবৰ বাবে এই বৰসবাহ বা বৰ সেৱা পতা হয়। এই সভাত মাহ- প্ৰসাদ আৰু ভোজৰ ব্যৱস্থা কৰা হয়। প্ৰসাদৰ বাৱে মাটিমাহ একৰ পৰা দুই কুইণ্টল,নাৰিকল এশ, কল (জাহাজী), ভীমকল আৰু চেনীকল প্ৰায় এশ থোক, আদা আদি। ভোজৰ বাবে চাউল কমেও দুই কুইণ্টলৰ ওপৰ, মদ প্ৰায় পাঁচশ কলহ। কুকুৰা বাইশটা, গাহৰি এটা, মাটিমাহ, ডালকচু ইত্যাদি। এই বৰ সভাত মানুহ নিমন্ত্ৰিত হয়। এই সভালৈ কোনো ব্যক্তিয়েই সুদা হাতেৰে অহাৰ নিয়ম নাছিল। ভাত বিলাবৰ সময়ত তিনিজন মূল ৰান্ধনিয়ে কঁঠাল কাঠৰ হেতাৰে ভাত, মাটিমাহৰ আঞ্জা আৰু ভজা প্ৰথমে নাচি নাচি ভিতৰৰ পৰা ওলাই আহি বুঢ়া মেথা কেইজনমানক দিব। তাৰ পিছত এফালৰ পৰা দিবলৈ আৰম্ভ কৰিছিল। ভিতৰৰ পৰা নাচি নাচি আহোতে তেওঁলোকে গাই-

কাৰ ঘৰৰ জীয়ৰী, কাৰ ঘৰৰ বোৱাৰী
চাই আহোঁগৈ লগাই আহোঁগৈ মাত
ঐ লগাই আহোঁগৈ মাত । ১
বহি থকা সমাজৰ মানুহে গাব লাগিব-
শংকৰদেৱৰ জীয়ৰী, মাধৱদেৱৰ বোৱাৰী
তাৰে আতি গুৰি লোৱা। ২

এই সংস্কৃতি বা পৰম্পৰা ঠেঙ্গাল কছাৰীসকলৰ সমাজৰ মহান সংস্কৃতি বুলি পৰিগণিত।



Scanned by CamScanner

**(২) পানী তোলা সবাহ বা চুড়াকৰণ ঃ**

ঠেঙ্গাল কছাৰীসকলে ভাওনা সবাহ পতাৰ উপৰিও গাঁৱৰ সমূহ ৰাইজ গোট খাই এই পানী তোলা সবাহৰ ব্যৱস্থা কৰে। ঠাই নিৰ্বিশেষে তিনি দিনৰ পৰা ধৰি সাত দিন পৰ্যন্ত পালন কৰা হয়। সাধাৰণতে ফাগুন মাহৰ পৰা বহাগ মাহৰ ভিতৰত এই সবাহ আয়োজন কৰা হয়। এই উৎসৱৰ বাবে তিনিটাৰ পৰা সাতটা এঁৰা টেকেলি, এটা দুণৰি, তামোল- পাণ প্ৰয়োজন। লগতে কলগছৰ পতুৱাৰ বাকলি এৰুৱাই বগা অংশৰে সুন্দৰভাৱে অভিজ্ঞ ব্যক্তিৰ দ্বাৰা সজোৱা হয়। এই সভাত গাঁৱৰ সকলো ৰাইজে সম্পূৰ্ণ অসমীয়া সাজ- পোছাক পৰিধান কৰি লয়। পানী তুলিবলৈ ওচৰত থকা নদীলৈ যাত্ৰা কৰা হয়। গাঁৱৰ সমূহ ৰাইজ, ল'ৰা- ছোৱালী সুন্দৰভাৱে শাৰী পাতি দীঘলীয়াকৈ পানী তুলিবলৈ যোৱা হয়।

**(৩) আই সবাহ ঃ**

গাঁৱত বা ঘৰত কাৰোবাৰ বসন্ত ওলালে এই সবাহ মহিলাসকলে বৰঘৰৰ ভিতৰত আইৰ সন্তুষ্টিৰ অৰ্থে পাতে। কিছুমান পৰিয়ালে মাহ- প্ৰসাদ আৰু প্ৰায়বোৰ ঠেঙ্গাল পৰিয়ালেই এটা মুগা বৰণীয়া হাঁহ, কেঁচা পিঠা, ভজা পিঠা, পায়স আদি দি কৰে। কেঁচা পিঠাৰে মৰল সাজি ন- খিলা পাত ন- গৰাকী আইলৈ পাৰি তাত বস্তুবোৰ সজাই দিয়ে আৰু আইসকলে আহি নাম গায়।

**(৪) লক্ষিমী সবাহ ঃ**

ঠেঙ্গাল কছাৰীসকলৰ ধৰ্মীয় ৰীতি- নীতিৰ ভিতৰত অন্য এটা হ'ল লক্ষিমী সবাহ। এই সবাহ প্ৰকৃততে লক্ষিমী আইক পথাৰৰ পৰা ঘৰলৈ আদৰি অনাৰ সবাহ। ন- ধান দোৱাৰ আগতেই কাতি মাহৰ পূৰ্ণিমাৰ দিনা বা লক্ষী পূজাৰ দিনা কেঁচা পিঠা আদিৰে আই নাম গাই এই সবাহ পাতে।

**০.০২ ঠেঙ্গাল কছাৰীসকলৰ সামাজিক ৰীতি- নীতি ঃ**

সামাজিক ৰীতি- নীতিৰ ভিতৰত ঠেঙ্গাল কছাৰীসকলৰ বহুতো পৰম্পৰা বা উৎসৱ পাৰ্বনো ইয়াত সোমাই পৰে। যেনে ঃ

১. পিড় দিয়া
২. মৃতকক দিয়া
৩. চুৰা উটোৱা সবাহ
৪. গোঁসানী বা আই চাউল খোৱা ইত্যাদি।

এই সামাজিক ৰীতি- নীতি সমূহৰ বিষয়ে তলত বহলাই লিখা হ'ল -

**১. পিড় দিয়া ঃ**

ঠেঙ্গাল কছাৰী সকলৰ সামাজিক পৰম্পৰাৰ ভিতৰত এটি উল্লেখযোগ্য প্ৰক্ৰিয়া হ'ল পিড় দিয়া। ন- ৰোৱা আৰু ন-খোৱাৰ দিনা ৰাতিপুৱা চোতালত কল, চাউল, গাখীৰ, চেনি আৰু মদ আদি নটা খোলত সজাই গৃহস্থই তিতা গাৰে মৃতকলৈ বুলি আগবঢ়াই। ইয়াৰ পিছত খোল কেইটা গছৰ তলত বা পকুখুৰীৰ পাৰত থৈ দিয়েগৈ।



Scanned by CamScanner

২. মৃতকক দিয়া ঃ

পৰিয়ালৰ সদস্য-সদস্যা সকলৰ মঙ্গলৰ হেতুকে পূৰ্বপুৰুষ তথা মৃত পিতৃ-মাতৃৰ সন্তুষ্টিৰ অৰ্থে যি পূজা কৰে তাকে মৃতকক দিয়া বোলে। ন-ৰোৱা আৰু ন-খোৱাৰ দিনা বিয়া আৰু কেতিয়াবা বেমাৰ-আজাৰ হ'লেও আৰোগ্য হ'বৰ বাবে মৃতকক দিয়ে।

৩. চুৰা উটোৱা সবাহ ঃ

চুৰা উটোৱা সবাহেই হৈছে ঠেঙ্গাল সমাজৰ সমূহীয়াকৈ পতা বছৰৰ শেষৰটো সবাহ। আহাৰৰ যাঠৰ পাচত গাঁৱৰ সকলো ৰাইজ নামঘৰত গোট খাই এই সবাহ পাতে। এই সবাহৰ অৰ্থ হৈছে আহাৰৰ যাঠৰ সময়ত ধৰীত্ৰী আইৰ লগতে সকলো বস্তু অপবিত্ৰ হয়। সেয়ে পবিত্ৰ হোৱাৰ অৰ্থে চুৰা উটুৱা এই সবাহৰ বাবে পাৰ চৰাই এযোৰ, গাখীৰ, গুৰু, চেনী, চাউল আৰু মাহ-প্ৰসাদৰ প্ৰয়োজন। এই সবাহৰ পিছতেই বছৰটোলৈ ৰাইজে ৰাজহুৱাভৱে কৰা সবাহৰ সামৰণি পৰে।

৪. গোঁসানী বা আই চাউল খোৱা ঃ

দুৰ্গা বা পাৰ্বতীকে গোঁসানী বা আই বুলি কোৱা হয়। গাঁওখন যাতে বছৰটোলৈ গোঁসানীৰ কু- দৃষ্টিত নপৰে তাৰ বাবে গাঁৱৰ ৰাইজে আহি সন্তুষ্টিৰ বাবেই জেঠ মাহত পুখুৰী বা নদীৰ পাৰত এই সবাহ পাতে। সবাহৰ বাবে এটা বগা হাঁহ, মাহ, প্ৰসাদ আদিকে ধৰি অন্যান্য প্ৰয়োজনীয় বস্তুবোৰ বান্ধি এযোৰ আগলি কলপাতত গোঁসানীলৈ আগবঢ়াই দিয়ে।

এইসমূহেই হ'ল ঠেঙ্গাল কছাৰীসকলৰ সামাজিক ৰীতি- নীতি।

০.০.৩ . ঠেঙ্গাল কছাৰীসকলৰ ঘৰুৱা পৰম্পৰা বা ৰীতি- নীতি ঃ

(১) ভিতৰ সকাম ঃ

ভিতৰ সকামো এওঁলোকৰ সমাজৰ এক ঘৰুৱাভাৱে পতা সকাম। জেঠ মাহত ঘৰত যাতে অপায় অমঙ্গল নহয় তাৰ বাবে শিৱ পাৰ্বতীক উদ্দেশ্যি এই সকাম বৰঘৰৰ ভিতৰত পাতে। মুগা হাঁহ, ৰাঙলি কুকুৰা , মদ, পিঠাগুৰি, আখৈ, সান্দহ, পায়স, আদি ব্যৱহাৰ কৰা হয় । ঘৰৰ মুৰব্বীজনে বগা বস্ত্ৰ পৰিধান কৰি এই সবাহৰ সকলো কাম কৰে।

(২) লখিমী সেৱা ঃ

যিবিলাক ঠেঙ্গাল পৰিয়ালৰ বৰঘৰত লখিমী শাল থাকে তেওঁলোকে এই পূজা পাতে। এটা বগা হাঁহ,তিনিজনী কণী নপৰা ৰাঙলি কুকুৰা, কেঁচা পিঠা, মদ, আদি এই পূজাৰ বাবে প্ৰয়োজনীয় সামগ্ৰী।

(৩) গোহালীত দিয়া ঃ

খেতিৰ দিনত গৰু ম'হবোৰ যাতে ভাল হৈ থাকে তাৰ বাবে খেতি অৰ্থাৎ হাল জোৱাৰ আগতেই শিৱক সন্তুষ্ট কৰিবৰ কাৰণে গোহালি ঘৰত এই পূজা পাতে। কিছু লোকে কাণি- ভাং আৰু কিছুলোকে কেঁচাপিঠা, কল, ভাং আদিৰে কৰে।



Scanned by CamScanner

**(৪) গা-ডাঙৰীয়াঃ**

এই পূজা গৰ্ভৱতী অৱস্থাত মাতৃ আৰু হ'বলগীয়া সন্তানৰ যাতে কোনো অপায়- অমঙ্গল নহয় তাৰ বাবে গা- ডাঙৰীয়ালৈ এটা মুগা বৰণীয়া হাঁহ আগ কৰি থয়। সন্তান জন্ম হোৱাৰ পিছত ভকত দুজনমানক মাতি আগকৰি থোৱা হাঁহটো ৰান্ধি মদ একলহৰ সৈতে আগবঢ়ায় দিয়ে আৰু মাকে সন্তানৰ সৈতে আৰ্শীবাদ লয়।

**(৫) ভঁৰালত দিয়া ঃ**

লক্ষ্মীয়ে যাতে গোটেই বছৰটো ভঁৰালত উভৈনদী হৈ থাকে তাৰ বাবে লক্ষ্মীদেৱীলৈ বিহুৰ দিনা ভঁৰালৰ সন্মুখত কিছুমান মানুহে কেঁচাপিঠা, কল, মাহ প্ৰসাদ আদি দিয়ে আৰু কিছু লোকে চাউল, কল, আৰু হাঁহৰ কণী দি আগবঢ়াই দিয়ে।

**(৬) যখ- যখিনী পূজাঃ**

হঠাতে পৰিয়ালত দাঁত- মুখ কামুৰি চকু পকাই ক'ব নোৱাৰা হৈ গ'লে যখ- যখিনী পূজা কৰিম বুলি টোপোলা বান্ধি থয়, যাতে অসুখ ভাল পায়। পাছত সুবিধা অনুসৰি হাবিৰ মাজত ডাঙৰ মতা কুকুৰা এটা, মদ, একলহ আদি পূজা কৰে, খেৰৰ মানুহ এটা সাজি ফটা কাপোৰ পিন্ধাই কুকুৰাৰ পেটু ডিঙিত ওলোমাই দিয়ে আৰু ওচৰতে ভগা জাকৈ- খালৈ থৈ দিয়ে।

**(৭) ভিতৰ বন (বৰসেৱা পূজা) ঃ**

এই পূজা বৰঘৰৰ মজিয়াত কৰা হয়। পোৱালী নিদিয়া মাইকী গাহৰি দুজনী, কণী নপৰা ৰঙা- ৰাঙলী কুকুৰা দুটা। দেউৰীয়ে ভিতৰতে সেৱা জনাই জন্তুবোৰ তিপা মাৰি মাৰে। মৰাৰ অন্তত নিমন্ত্ৰিত অতিথিসকলক সকামৰ ঘৰলৈ লৈ আহে। অতিথিসকলেও সেৰেকা আৰু কুকুৰা এটাকৈ আনে। সন্ধ্যা পূৰ্বে জীৱ- জন্তুবোৰৰ নাম গাই ৰান্ধে। বৰাহ-বিষ্ণুক বৈৰী ৰূপে ভজি প্ৰতিশোধ লয়। সেইকাৰণে এই পূজাভাগ পতা হয়।

**(৮) চৰগ দেও পূজা ঃ**

চাৰিসীমাৰ ভিতৰত বজ্ৰপাত পৰিলে ঠেঙ্গাল জনগোষ্ঠীটোৰ লোকসকলে সাধাৰণতে অমঙ্গলতাই ধাৰণ কৰে বুলি বিশ্বাস কৰে। ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ এই পূজা ভাগ পতা হয়। এই পূজা ভাগত গৃহস্থই নিমন্ত্ৰণ নকৰে, খবৰ লোৱা সকলে বা শুনি পালে পূজা ভাগত আগভাগ লয়।

**০.০৪. উৎসৱ পাৰ্বনৰ ৰীতি-নীতি ঃ**

ঠেঙ্গাল কছাৰীসকলৰ যেনেকৈ ধৰ্মীয়, সামাজিক,ঘৰুৱা ৰীতি- নীতি আছে ঠিক তেনেকৈ উৎসৱ- পাৰ্বণৰ ক্ষেত্ৰতো বহুতো পৰম্পৰা বা ৰীতি-নীতি দেখিবলৈ পোৱা যায়। যেনে-

১. তৰাছিৰা বিহুৰ পৰম্পৰা
২. গৰু বিহুৰ পৰম্পৰা
৩. বোকা বিহুৰ পৰম্পৰা
৪. মূল বিহুৰ পৰম্পৰা
৫. বিহু উৰুৱাৰ পৰম্পৰা
৬. হুচৰি খেলীয়া সবাহৰ পৰম্পৰা



Scanned by CamScanner

**ক) তৰাছিৰা বিহুৰ পৰম্পৰা ঃ**

ঠেঙ্গাল কছাৰীসকলে চ'ত মাহতেই এই তৰাছিৰা বিহু উদ্‌যাপন কৰে। অসমৰ জনজাতীয় সমাজত বুধবাৰ আৰু বৃহস্পতিবাৰ পবিত্ৰ বাৰ হিচাপে বিবেচিত। সেয়ে ঠেঙ্গাল কছাৰীসকলে চ'তৰ দ্বিতীয় সপ্তাহৰ বুধ বৃহস্পতিবাৰৰ দিনা তৰাছিৰা বিহু পাতে। তৰাছিৰা বিহুৰ গীতত তাৰ প্ৰমান পোৱা যায়।

তৰাছিৰি গ'লো ৰংবাই ৰহিমলা
পঘা বাটি গ'লো ৰংবাই ৰহিমলা
বুধে বৃহছতি বিহু হে ৰংবাই ৰহিমলা
ৰিচিপ্ চিপ্ জৰৌৰোৱা।

গাঁৰৰ ডেকাহ'তে দলবান্ধি তৰাণি, পিতনি, গেৰেকনি, নৈ, বিলৰ পাৰত তৰা ছিৰিবলৈ যায়। তৰাছিৰাৰ আগতে দোষ দায় নধৰিবলৈ বন দেৱতালৈ বুলি এভাগ পূজা আগবঢ়াই। ফুলে-পাতে জাতিস্কাৰ হৈ পৰা প্ৰকৃতিৰ নৈসৰ্গিক পৰিৱেশৰ মাজত মনৰ আনন্দত ডেকাহঁতে ঢোলৰ চাপৰ মাৰি বিহু নাম জোৰে।

তৰাৰ তৰপীয়া পাতে সমনীয়া
তৰাৰ তৰপীয়া পাত
তৰাৰে তলতে ধেমালি কৰোঁতে
বৰষুণ নপৰে গাত।

তৰা গছৰ বকলাবোৰ চটাচট্‌কৈ এৰুৱাই লৈ ইয়াৰ কোমল অংশটো পাতল বাঁহ এছটি ফালি তাৰ মাজেৰে চেপি চেপি টানি ফঁহিয়াই পেলোৱা হয়। আৰু এইয়াই হ'ল 'তৰাছিৰা'।

তৰাছিৰা বিহুৰ দিনাৰ পৰাই ডেকাহঁতে পথাৰৰ মাজত 'ঢুলীয়া ভেটী' 'বিহুৰ খলা' পাতি গধূলি গধূলি ঢোল পেপাঁ বজাই বিহুৰ আখৰা কৰে। এই তৰাছিৰা বিহুক 'বালি হুচৰি' বুলিও কোৱা হয়।

**খ) গৰু বিহু ঃ**

অতীজৰে পৰা ঠেঙ্গাল কছাৰী সকলে গৰুক গো দেৱতা হিচাপে মানি আহিছে। ভালেমান ৰীতি-নীতি লোকবিশ্বাসেৰে গৰু বিহু পালন কৰে। এই বিহুৰ দিনা গৃহস্থই পুৱা সোনকালে উঠি গোহালিৰ গৰুহাল চায়। গৰুহাল যদি শুই থাকে তেতিয়া বছৰটোত পানী কম হ'ব আৰু যদি থিয় হৈ থাকে তেন্তে পানী বেছি হ'ব বুলি বিশ্বাস কৰে। আকৌ ৰাতিপুৱাই তেলি ছাইৰ ফোঁট দি মাহ- হালধি সানি মাখিয়তী, দীঘলতিৰে কোবাই নৈ, বিল, পুখুৰীত সমূহীয়াভাৱে গৰুক গা ধূৱাবলৈ নিয়ে। এক উৎসৱ মুখৰ পৰিৱেশত গৰুৰ গাত লাও, বেঙেনা,হালধি, থেকেৰা দলিয়াই গা- ধুওৱা হয়। এনেদৰে গোৱা হয়-

লাও খা, বেঙেনা খা বছৰে বছৰে বাঢ়ি যা।
মাৰ সৰু, বাপেৰ সৰু তই হবি বৰ বৰ গৰু।

গৰুক গা- ধুওৱাৰ পিছত এডাল পুৰণি পঘা পানীত পেলাই দিয়ে। এনে কৰিলে বিগত বৰ্ষটোত হোৱা গৰুৰ অপায়- অমঙ্গল, জৰা ব্যাধিসমূহ বিসৰ্জন দিয়া হয় বুলি জনবিশ্বাস।

**(গ) বোকা বিহু ঃ**

ঠেঙ্গাল কছাৰীসকলৰ সমাজত প্ৰচলিত বহাগ বিহুৰ এটা স্বকীয় পৰম্পৰা হ'ল বোকা বিহু। গৰুক গা ধুৱাই আহি সকলোৱে কড়ি খেল, ঘিলা খেল, কণী যুঁজ আদি লোকক্ৰীড়াত মিলিত হয়। নামঘৰত ৰাইজ গোট খাই বিহুখন জোৱা সম্পৰ্কে আলচ কৰি গাঁৰৰ মুখীয়াল মেধি বা গাঁওবুঢ়াজনৰ ঘৰলৈ যায়। তাতে



Scanned by CamScanner

চোতালত আটায়ে কলহে কলহে পানী ঢালি নাচি- বাগি বোকা খচি লুটুৰি - পুতুৰি হৈ পাৰেমানে বিহু মাৰে। এয়াই হ'ল বোকা বিহু।

গৰু বিহুৰ দিনাখন গধুলিৰ ভাতসাঁজ পৰিয়ালৰ সকলোৱে দেখা শুনাকৈ বিবিধ ব্যঞ্জনেৰে বিশেষভাৱে খোৱা হয়। ইয়াৰ ভিতৰত এশ এবিধ শাকৰ এখন, চাটত দিয়া পাচলিৰ এখন তৰকাৰী থকাটো বাঞ্চনীয়। তদুপৰি এই সাঁজ ভাতৰ লগত আমৰলি টোপ খোৱা পৰম্পৰা আছে। আমৰলিৰ টোপ খালে বংশ বৃদ্ধি হয় বুলি জনবিশ্বাস আছে।

## (ঘ) মূল বিহু ঃ

মূল বিহু গৰু বিহুৰ পিছদিনাৰ পৰাই আৰম্ভ হয়। সেইদিনা ঘৰখনৰ জেষ্ঠসকলক সেৱা সৎকাৰ কৰি আৰ্শীবাদ লোৱাৰ পৰম্পৰা আছে। আৰু এয়াই হ'ল মঙ্গোলীয় সংস্কৃতিৰ পৰিচায়ক। বিহু মৰাৰ ক্ষেত্ৰত ঠেঙ্গাল কছাৰীসকলৰ কেইবাটাও বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। যেনে- ডেকা- গাভৰু বা পুৰুষ- মহিলাই একেলগে বিহু নামাৰে, লগবিহু নাই। বিহু মাৰোতে কছাৰী ছেও নবজালে বিহুৱে পূৰ্ণতা নেপায়। ঢোলৰ লগতে পেঁপা, সুতুলি, টকা, গগণা, পাটবাঁহী, তাল আদি বজোৱা হয়।

ঠেঙ্গাল কছাৰীসকলেও সাতবিহু পালন কৰে। বিহুযোৱা প্ৰথমে গাঁওখনৰ বাৰিক, মেধি বা গাঁওবুঢ়াৰ ঘৰতে আৰম্ভ কৰা হয়। ধনী- দুখীয়াৰ প্ৰভেদ নেৰাখি খেলৰ প্ৰত্যেকৰে ঘৰত বিহু হুচৰি গোৱাটো সামাজিক বাধ্যতামূলক।

## (ঙ) বিহু উৰুৱা ঃ

সাত দিনৰ ভিতৰতে বিহু মাৰি শেষ কৰি ভালেমান নীতি- নিয়ম জনবিশ্বাসৰ মাজেৰে আনুষ্ঠানিকভাৱে বিহু সামৰা হয়। যাক 'বিহু উৰুৱা ' বোলে। সেইদিনা গোটেই ৰাইজ পথাৰৰ মাজৰ বৰগছৰ তললৈ যায়গৈ। তাতে বিহু মাৰি ৰং ধেমালী কৰে। শেষত বিহুৰ বাদ্য যেনে- টকা, গগণা, পেঁপা, বাঁহী আদি এখন গামোচাৰে বান্ধি গছত ওলমাই বিহুটিক বিদায় দিয়ে। আনকি ঢোলটোও ঢোলৰ মাৰিৰে ফুটুৱায়। কিয়নো খেতিৰ দিনত ঢোল বজাব নাপায়। সেইদিনা ৰাতিলৈ মেধি বা গাঁওবুঢ়াৰ ঘৰত ৰাইজে একেলগে ভোজভাত খোৱাৰ পৰম্পৰা আছে। আৰু ঢোলৰ গৰাকীক গামোচা অৰিহণাৰে সন্মান যাচে আৰু ৰাহি হোৱা টকাৰে নিমখ কিনি ৰাইজৰ মাজত বিতৰণ কৰে।

## (চ) হুচৰি খেলীয়া সবাহ ঃ

বিহু উৰুৱাৰ পিছতো বিহু হুচৰি সৰ্ম্পকীয় -আন এটি ধৰ্মীয় অনুষ্ঠান ঠেঙ্গাল কছাৰী সমাজত প্ৰচলিত। সেয়া হ'ল হুচৰি খেলীয়া সবাহ। বহাগৰ শেষলৈ কোনোবা এদিন সন্ধ্যা নামঘৰত হুঁচৰি খেলীয়া সবাহৰ আয়োজন কৰে। মাহ- প্ৰসাদ, কল, কুঁহিয়াৰ, পকামিঠৈ আদি আগবঢ়ায় ওৰে ৰাতি কীৰ্ত্তন পাঠ কৰা হয়। বিহু হুচৰি গোৱাৰ পিছত যদি অজানিতে কিবা ভুল- ভ্ৰান্তি হৈছিল বা কোনোবাই কাৰোবাক দোষ জগৰ লগাইছিল তাক ধৰি নেথাকি এৰি দিবলৈ ইজনে সিজনৰ ওচৰত ক্ষমা বিচাৰিছিল। এনেদৰে নামঘৰত সবাহ পাতি বহাগৰ বিহুটিক কীৰ্তনীয়া আদৰ্শৰে ভক্তিভাৱে বিদায় দিয়া পৰম্পৰা কেৱল ঠেঙ্গাল কছাৰী সমাজতহে দেখিবলৈ পোৱা যায়।

বৰ্তমান পৰিৱেশ পৰিস্থিতিত ঠেঙ্গাল কছাৰীসকলৰ বিহু সংস্কৃতিৰ পৰিসীমা কিছু সংকুচিত হৈ পৰাটো অনুমান কৰিব পাৰি। সময় পৰিৱৰ্তনশীল আৰু সংস্কৃতি সদায় গতিশীল। স্থান- কাল, পাত্ৰৰ লগত সংগতি ৰাখি ঠেঙ্গাল কছাৰী বিহু সংস্কৃতিয়ে পূৰ্বৰ গৰিমা অটুট ৰাখিব পৰা নাই যদিও পৰম্পৰাগত ৰীতি- নীতি, লোকাচাৰসমূহ গভীৰ আত্মপ্ৰত্যয়েৰে পালন কৰি আহিছে।



Scanned by CamScanner

## ৩.০০. সিদ্ধান্ত ঃ

সময়ৰ লগে লগে সংস্কৃতিও সময়ৰ পিনে ধাৱমান হয়। অতীতৰ সংস্কৃতি বৰ্তমান সময়ত খুউব কমেইহে দেখিবলৈ পোৱা যায়। বিশেষকৈ মানুহৰ মন সলনি হোৱাৰ লগে লগে নিজস্ব ৰীতি-নীতি আৰু পৰম্পৰাও সলনি হ'ল। ঠেঙ্গাল কছাৰী সকলৰ ৰীতি-নীতি আৰু পৰম্পৰাৰ ক্ষেত্ৰতো কেইটামান সিদ্ধান্ত ল'ব পাৰি। যেনে -

ক) যিকোনো ধৰণৰ উৎসৱ পাৰ্বনত নীতি-নিয়ম বুলিবলৈ নোহোৱা হৈছে। যাৰ যেনেকৈ মন যায় তেনেকৈয়ে কৰিবলৈ ধৰিছে।

খ) আগতে ল'ৰা বা ছোৱালী পানীত পৰিলে আই তোলা সবাহ পাতে, কিন্তু আজিকালি এই পৰম্পৰা দেখিবলৈ টান।

গ) অতীতত মানি চলা ৰীতি-নীতি সমূহ যদি প্ৰতি ঠেঙ্গাল কছাৰী লোকে মানি চলে তেন্তে সেই পৰম্পৰা ভৱিষ্যতলৈও চলি যাব। নেমানিলে ভৱিষ্যতেও লুপ্তপ্ৰায় হ'ব।

ঘ) ৰীতি-নীতি আৰু পৰম্পৰাৰ জৰিয়তে এটা জাতিৰ গুণগত মানদণ্ড পোৱা যায়। ইত্যাদি।



Scanned by CamScanner

**৩.০০১ ঃ সামৰণি ঃ**

মঙ্গোলীয় জনগোষ্ঠী ঠেঙ্গাল কছাৰীসকলৰ অতীতৰে পৰা চলি অহা পৰম্পৰা সমূহ প্ৰায় নোহেৰা হ'ব ধৰিছে। গতিকে বৰ্তমান সময়ত এই পৰম্পৰা সমূহ নৱ-প্ৰজন্মক শিকোৱাটো বাঞ্চনীয়। ন'হলে হয়টো এদিন নিজ জাতিৰ স্বকীয়তা হেৰুৱাব লাগিব।

প্ৰতিঘৰ ঠেঙ্গাল কছাৰীৰ ঘৰত এৰি চলা নীতি-নিয়মসমূহ পুণৰাই মানি চলিব লাগে। কিয়নো তেনে কৰিলে নিজ জাতিৰ মান ৰক্ষা পৰিব। লগতে সংস্কৃতিটো সুন্দৰ হ'ব আৰু মূল্যবোধ জাগি উঠিব।



Scanned by CamScanner

### ৩.০২ ঃ প্ৰসংগটীকা ঃ

ক) সম্পাদক ঃ সৰোজ শইকীয়া, ঃ স্মৃতিগ্ৰন্থ (অৰ্পণ), পৃ ঃ ৫০, ৫১, ৫২

খ) ডঃ শান্ত হাজৰিকা, সম্পাদক ঃ স্মৃতিগ্ৰন্থ (অৰ্পণ), পৃ ঃ ৩১-৩৬ চৈ।



Scanned by CamScanner

## ৫.০৩ গ্ৰন্থপঞ্জী :

ক) অসমৰ সংস্কৃতি : ড° লীলা গগৈ

খ) অসমৰ জনজাতি : সম্পাদক ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য

গ) অসমৰ লোকসংস্কৃতি : চাও লোকেশ্বৰ গগৈ।

Scanned by CamScanner

## ৩.০৪ ঃ তথ্যদাতাৰ পৰিচয় ঃ

ক) নাম ঃ ডঃ সঞ্জীৱ শইকীয়া
লিংগ ঃ পুৰুষ
বয়স ঃ ৩৯ বছৰ
ঠিকনা ঃ ভাগ্যলক্ষী, মাধপুৰ
জীৱিকা ঃ শিক্ষক
সাক্ষাৎকা গ্ৰহণৰ দিনাংক ঃ ২৬.০৫.২১


২. নাম ঃ ডঃ বৰ্ণালী শইকীয়া
লিংগ ঃ মহিলা
বয়স ঃ ৪০ বছৰ
ঠিকনা ঃ তিতাবৰ
জীৱিকা ঃ শিক্ষয়িত্ৰী



Scanned by CamScanner


















Scanned by CamScanner